নং ঃ ১১৬/২০২০

## কলাবাৰী মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী সমাৰোহৰ সামৰণী অনুষ্ঠানত অংশগ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে

## শিক্ষানুষ্ঠান গঢ় দিলে এখন সমাজ শৃংখলাবদ্ধ হয় ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৩ মাৰ্চ ঃ** 'শিক্ষানুষ্ঠান গঢ় দিলে এখন সমাজ শৃংখলাবদ্ধ হয়, এখন সমাজ শক্তিশালী হয়, এখন সমাজে সমন্বয়ৰ দ্বাৰা মানৱীয় অনুভূতিৰে সামাজিক, সাংস্কৃতিক, আধ্যাত্মিক মূল্যবোধ অটুত ৰখাত সফলতা অৰ্জন কৰে।' আজি বিশ্বনাথ জিলাৰ গহপুৰস্থিত কলাবাৰী মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষৰ সামৰণী অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে শিক্ষানুষ্ঠান এখনৰ বহুমুখী ভূমিকা থাকে। মাথো ডিগ্ৰীধাৰী উৎপাদন কৰাই শিক্ষানুষ্ঠান এখনৰ কাম নহয়। এটা বৃহত্তৰ অঞ্চলত জ্ঞানৰ পোহৰ বিলাই উঠি অহা প্ৰজন্মৰ মাজত আধ্যাত্মিক চেতনাবোধ শক্তিশালী কৰাতো শিক্ষানুষ্ঠান এখনে গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলায়। একালত বিল হিচাপে থকা এটা দ-অঞ্চল পুতি কলাবাৰী কলেজৰ দৰে এখন শিক্ষানুষ্ঠান গঢ় দিয়াত বিশিষ্ট ভূমিকা গ্ৰহণ কৰা ব্যক্তিসকললৈ কৃতজ্ঞতা আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে এই ক্ষেত্ৰত সৰ্বতোপ্ৰকাৰে সহযোগিতা আগবঢ়োৱা বৃহত্তৰ কলাবাৰী অঞ্চলৰ ৫২ খন গাঁৱৰ ৰাইজৰ ত্যাগৰো শলাগ লয়।

একবিংশ শতিকাক বিজ্ঞান, প্ৰযুক্তি আৰু প্ৰতিযোগিতাৰ যুগ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে মাথো উপযুক্ত শিক্ষাৰ জৰিয়তেহে এই যুগত আমি এক শক্তিশালী জাতি হিচাপে তিষ্ঠি থাকিবলৈ সক্ষম হ'ম। তেওঁ কয় যে শিক্ষা অবিহনে  আমি কোনো দিশতে শক্তিশালী হ'ব নোৱাৰো। আমাৰ ব্যক্তিত্বত থকা ইতিবাচক গুণবোৰ প্ৰকাশ কৰিব নোৱাৰো। আমাৰ সামৰ্থ্যৰাজি কৰ্মপথাৰত প্ৰতিফলিত কৰিব নোৱাৰো। এক সুস্থ, সৱল শৈক্ষিক পৰিৱেশ বৰ্তাই ৰখাত সমাজৰ প্ৰতিগৰাকী লোকৰে গভীৰ দায়িত্ব আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বাহিৰৰ পৰা অহা মানুহৰ মনত এক সদ্ভাৱনাৰ ছবি গঢ় দিব পৰাকৈ আমি আমাৰ শিক্ষানুষ্ঠানসমূহৰ আভ্যন্তৰীণ পৰিৱেশ উপযুক্ত ৰূপত গঢ়ি তুলিব লাগিব। পৃথিৱীৰ কোন ৰাষ্ট্ৰত কি ধৰণৰ সমাজ ব্যৱস্থা, ৰাজনীতি, অৰ্থনীতি বৰ্তি আছে সেই কথা জনা-বুজাৰ বাবে শিক্ষানুষ্ঠানসমূহৰ ছাত্ৰ -ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱকসকলৰ উপস্থিতিত সঘনে মত-বিনিময়, যুৱ সংসদ আদিৰ আয়োজনত অগ্ৰাধিকাৰ প্ৰদান কৰিববলৈ তেওঁ সকলোকে আহ্বান জনায়। এই অনুষ্ঠানসমূহৰ জৰিয়তে শিক্ষাৰ্থীসকলৰ ব্যক্তিত্বত থকা সৱলতা আৰু দুৰ্বলতাসমূহ চিনাক্ত কৰাৰ বাবে এক উপযুক্ত মঞ্চ লাভ কৰিব পৰা যাব বুলি তেওঁ আশা ব্যক্ত কৰে।

বৰ্তমানৰ চৰকাৰৰ কাৰ্যকালত ৰাজ্যৰ শিক্ষা ব্যৱস্থাৰ উত্তৰণৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ বিষয়ে আলোকপাত কৰি মুখ্যমন্ত্ৰীয়ে বিধান সভাৰ অধিৱেশনৰ কাৰ্যক্ৰমণিকা উপভোগৰ বাবে শিক্ষাৰ্থীসকলক প্ৰদান কৰা সুবিধাৰ বিষয়েও উল্লেখ কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীসকলেও যুগৰ লগত খাপ-খুৱাই নিজকে যোগ্য কৰি তুলিব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। দেশৰ স্বাধীনতা সংগ্ৰামৰ লগতে ৰাজ্যখনৰ সামাজিক-সাংস্কৃতিক দিশলৈ গহপুৰে আগবঢ়োৱা অৱদানৰ কথা শ্ৰদ্ধাৰে সুঁৱৰি এই

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

ঐতিহাসিক স্থানৰ বাসিন্দাসকল অতি সৌভাগ্যৱান বুলি মুখ্যমন্ত্ৰীয়ে অভিহিত কৰে। সুধাকণ্ঠ ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ 'এই পৃথিৱী এক ক্ৰীড়াঙ্গণ' গীতৰ পংক্তি আওৰাই মুখ্যমন্ত্ৰীগৰাকীয়ে ক্ৰীড়াৰ দিশতো বিশেষ গুৰুত্ব প্ৰদান কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকললৈ আহ্বান জনায়। শিক্ষা, সংস্কৃতি আৰু ক্ৰীড়াক সমান্তৰালভাৱে আগবঢ়াই নিয়া ব্যক্তিহে জীৱনত সফল হ'ব পাৰে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীকে দিনটোত কমেও এঘন্টা ক্ৰীড়াত মনোনিৱেশ কৰিবলৈ পৰামৰ্শ দিয়ে। তেওঁ কয় যে সোণ জিলিকাবলৈ হ'লে পুৰিবই লাগিব। একেদৰে জীৱনত জিলিকি উঠিবলৈ হ'লেও আমি অধ্যাৱসায় আৰু কঠোৰ পৰিশ্ৰমেৰে নিজকে সোণৰ দৰে পুৰিব লাগিব। ৰূপালী জয়ন্তী গৰকা কলাবাৰী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক কঠোৰ পৰিশ্ৰম আৰু অধ্যয়নেৰে লুইতৰ পাৰ জিলিকাবলৈ আহ্বান জনাই তেওঁ কয় যে সোণালী জয়ন্তী উদ্‌যাপনৰ বৰ্ষত যাতে এই মহাবিদ্যালয়খনক অসমৰ শ্ৰেষ্ঠ মহাবিদ্যালয়ৰূপে গঢ়ি তুলিব পৰা যায় তাৰ সংকল্প তেওঁলোকে এতিয়াই ল'ব লাগিব।

ৰাজ্যখনৰ সম্পদ, সম্ভাৱনা আৰু শক্তিৰ উচিত মূল্যায়নেৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই অঞ্চলটোক আগুৱাই নিয়াত আগবঢ়োৱা অৱদানৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বৰ্তমানৰ চৰকাৰৰ দিনত অসমৰ খেতিয়কৰ উৎপাদিত কৃষিজাত সামগ্ৰী নেমু টেঙা, ভোত জলকীয়া আদিয়ে আবু ধাবি, হংকং, ডুবাই, লণ্ডন আদিতো সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। দক্ষিণ-পূব এছিয়াৰ ৮০ কোটি মানুহৰ বৃহৎ বজাৰখন দখল কৰিব পৰাকৈ উপযুক্ত মানৰ সম্পদ আৰু কৃষিখণ্ডৰ বিকাশৰ ওপৰত বৰ্তমান চৰকাৰে অগ্ৰাধিকাৰ প্ৰদান কৰিছে বুলিও তেওঁ উল্লেখ কৰে।

আজিৰ এই অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে নিজৰ স্কুলীয়া জীৱনৰ ৰসাল অভিজ্ঞতাৰ কথা সুঁৱৰি নষ্টালজিক হৈ পৰে। বিশ্বজুৰি ত্ৰাসৰ সৃষ্টি কৰা ক'ৰ'ণা ভাইৰাছৰ বিষয়ে মন্তব্য প্ৰদান কৰি এই ক্ষেত্ৰত ৰাইজক ভীতিগ্ৰস্ত নহ'বলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। অসমীয়া সমাজখন স্বভাৱসুলভভাৱেই পৰিষ্কাৰ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে মাথো পৰিষ্কাৰ-পৰিচ্ছন্ন হৈ থাকি স্বাস্থ্য বিভাগৰ দ্বাৰা জাৰি কৰা নিৰ্দেশাৱলী মানি চলিলেই আমি এই ৰোগৰ পৰা হাত সাৰিব পাৰিম।

কলাবাৰী মহাবিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে প্ৰয়োজনীয় সকলো সহায়-সহযোগিতা চৰকাৰে আগবঢ়াব বুলিও আজিৰ সভাত মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে।

ছয়দুৱাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ খগেন গোস্বামীয়ে সভাপতিত্ব কৰা আজিৰ সভাত তেজপুৰ লোকসভা সমষ্টিৰ সাংসদ পল্লৱ লোচন দাস, গহপুৰৰ বিধায়ক তথা ৰূপালী জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি উৎপল বৰা, বিহপুৰীয়াৰ বিধায়ক দেবানন্দ হাজৰিকা, মাধৱদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য দিবাকৰ ডেকা আৰু বিশিষ্ট বিজ্ঞানী উদ্ভাৱক ড° উদ্ধৱ  ভৰালীয়েও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰ, অসম ৰাজ্যিক পণ্যাগাৰ নিগমৰ অধ্যক্ষ দিগন্ত ঘাটোৱাৰ, বিশ্বনাথৰ উপায়ুক্ত ধ্ৰুৱজ্যোতি দাস, কলাবাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ প্ৰদীপ শৰ্মা আৰু স্থানীয় সমাজকৰ্মী নোমল বৰুৱাৰ লগতে বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**প্ৰঃকুঃবঃ**
**১৩/০৩/২০২০**